# ভাষা-সাহিত্য-সংস্কৃতি বিতান

(Bhāshā-Sāhitya-Sanskriti Bitān)

মুখ্য সম্পাদনা

**দীপ্তি ফুকন পাটগিৰি**

সম্পাদক

**প্ৰণৱ বৰ্মন**

**দেৱপ্ৰতীম হাজৰিকা**

**হাছিনুছ চুলতান**

ভাৰতীয় ভাষা-সংস্থান, মহীশূৰ

Central Institute of Indian Languages

Mysuru

CENTRAL INSTITUTE OF INDIAN LANGUAGES
Manasagangotri, Mysuru, Karnataka, India, 570006
www.ciil.org

Bhāshā-Sāhitya-Sanskriti Bitān

*Chief Editor:* Dipti Phukan Patgiri
*Editors:* Pranab Barman, Devapratim Hazarika & Hasinus Sultan

*ISBN:* 978-81-944107-2-0
*CIIL Publication No.:* 1225

*First published:* AD 2019 July; Ashadha 1941 (Saka)

*© Central Institute of Indian Languages, Mysuru, 2019*

*Publisher:* D.G. Rao, Director

*Production Team*
*Head, Publication Unit:* Umarani Pappuswamy
*Officer-in-Charge, Publication Unit:* Aleendra Brahma
*Printing supervision:* H Manohara, R Nandeesh & MN Chandrashekar
*Cover design:* H. Manohara

*Printed at* CIIL Printing Press, Mysuru

- শিশু সাহিত্যিক ৰবীন্দ্ৰ নাথ ঠাকুৰ ঃ
  এটি বিশ্লেষণাত্মক অধ্যয়ন/ ড° নীলিমা গোস্বামী শৰ্মা ২১৫
- অসমীয়া আৰু বাংলা প্ৰবাদ-প্ৰবচনত
  নাৰীৰ সৌন্দৰ্যচৰ্চা/ মণীষা তালুকদাৰ ২৩১
- আনন্দিৰাম দাস আৰু মুক্তিনাথ শৰ্মা বৰদলৈৰ
  গীতত প্ৰকৃতি/ চয়নিকা চাংমাই ২৩৯
- লীলা গগৈৰ অনুপম গ্ৰন্থ
  'সীমান্তৰ মাটি আৰু মানুহ'/ ড° উৎপলা দেৱী ২৫৬
- 'ওমলা গীতত সমাজ জীৱনৰ ছবি'
  সংক্ষেপ আলোচনা/ ড° বিভা দত্ত ২৬২
- শোণিতপুৰৰ মধ্যযুগীয় মন্দিৰ-স্থাপত্য/ ড° হৰি প্ৰসাদ বৰুৱা ২৭২
- নেপালী সম্প্ৰদায়ৰ জাতীয় উৎসৱ ঃ তিহাৰ/ হিমাক্ষী বৰদলৈ ২৮৫
- চাহ জনগোষ্ঠীৰ অধ্যয়ন আৰু সংৰক্ষণৰ
  প্ৰয়োজনীয়তা/ ড° পৰাগ নাথ ২৯২
- আত্ম-পৰিচয় আৰু সংহত অসমীয়া জাতি
  গঠনত চৰ-চাপৰিৰ অসমীয়া/ ড° হাছিনুৰ চুলতান ৩০১

# শোণিতপুৰৰ মধ্যযুগীয় মন্দিৰ-স্থাপত্য

হৰি প্ৰসাদ বৰুৱা

শোণিতপুৰ পৌৰাণিক আখ্যান আৰু ঐতিহাসিক তথ্যৰে বিজড়িত এখন পুৰা-সমৃদ্ধ অঞ্চল। 'কালিকা পুৰাণ'ত উল্লেখ থকা মতে প্ৰাগজ্যোতিষপুৰত নৰক ৰজাই ৰাজত্ব কৰাৰ সময়তে শোণিতপুৰত বাণ মহাসুৰে ৰাজত্ব কৰিছিল।[১] মহাভাৰতৰ শান্তিপৰ্বতো বাণ ৰজাৰ নামোল্লেখ পোৱা যায়। বাণ পৰম শিৱভক্ত আছিল আৰু তেওঁ অসংখ্য শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। জনসমাজৰ মাজত প্ৰচলিত পৰম্পৰাগত বিশ্বাসৰ আধাৰত বৰ্তমানৰ তেজপুৰকেই পুৰাণত উল্লেখ থকা শোণিতপুৰ বুলি কোৱা হয়। শোণিতপুৰৰ বহু ঠাইত মঠ-মন্দিৰ, দেৱালয় আৰু ইবোৰৰ ভগ্নাৱশেষ সিঁচৰতি হৈ আছে। এই সমূহ সমলে শোণিতপুৰৰ প্ৰতি পুৰাতত্ত্ববিদসকলৰ দৃষ্টি সদায়ে আকৰ্ষিত কৰি আহিছে। আমাৰ এই আলোচনাত শোণিতপুৰৰ মধ্যযুগীয় প্ৰতিনিধিত্বমূলক মন্দিৰ-স্থাপত্যৰ এটি বিৱৰণ দাঙি ধৰিবলৈ যত্ন কৰা হ'ব।

**ক) আদি মধ্যযুগীয় মন্দিৰ-স্থাপত্য ঃ**

শোণিতপুৰৰ প্ৰাচীন মন্দিৰ-স্থাপত্যৰ ইতিহাস স্পষ্ট নহয়। আনকথাত এই ঠাইত আৰম্ভণিৰ পৰা কেনে স্থাপত্যই বিকাশ লাভ কৰিছিল সেয়া জনা নাযায়। পুৰণি স্থাপত্যৰ অক্ষত পূৰ্ণাঙ্গৰূপ বুলিবলৈ কোনো মন্দিৰৰ উদাহৰণ নাই। কেৱল বিভিন্ন ঠাইত প্ৰাপ্ত বিক্ষিপ্ত প্ৰাচীন ভগ্নাৱশেষবোৰে এই অঞ্চলত মন্দিৰ নিৰ্মাণৰ প্ৰাচীন পৰম্পৰাৰ সাক্ষ্য বহন কৰি আছে। এনে স্থাপত্যাংশৰ দ্বাৰা সৌধবোৰৰ পূৰ্ণাঙ্গ ৰূপ নিৰ্ণয়ৰ প্ৰচেষ্টাও অব্যাহত আছে। পুৰাতত্ত্ববিদ ৰাখাল দাস বন্দ্যোপাধ্যায়, সৰ্বানন্দ ৰাজকুমাৰ, ৰাজমোহন নাথ, কনকলাল বৰুৱা, সৰ্বেশ্বৰ বৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা, এছ. কে. সৰস্বতী, মহেশ্বৰ নেওগ, ৰবীন দেৱ চৌধুৰী, প্ৰদীপ শৰ্মা, তৰুণ দাস, কনক শৰ্মা, সতীশ চন্দ্ৰ ভট্টাচাৰ্য আদি পণ্ডিতে বিভিন্ন দিশৰ অধ্যয়নেৰে শোণিতপুৰৰ ঐতিহাসিক সমলবোৰৰ তথ্য উদঘাটন কৰি পৰ্য্যালোচনা আগবঢ়াইছে।